BIKALI COLLEGE LIBRARY



# 2023

## ECONOMICS

( Regular Elective )

Paper : ECO–RE–5016/5026/5036

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

*Answer any one Option*

## OPTION—A

Paper : ECO–RE–5016

**( Economic Development and Policy in India—I )**

1. Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Define urbanization.

নগৰীকৰণৰ সংজ্ঞা দিয়া।

(b) What is sustainable development?

বহনক্ষম উন্নয়ন কি?

BIKALI COLLEGE LIBRARY



(c) What is meant by disguised unemployment?

ছদ্মবেশী নিবনুৱা বুলিলে কি বুজা ?

(d) Define unorganized sector.

অসংগঠিত খণ্ডৰ সংজ্ঞা দিয়া ।

(e) What is the full form of MGNREGA?

MGNREGAৰ সম্পূৰ্ণ ৰূপটো কি ?

(f) Define capital formation.

মূলধন গঠন মানে কি বুজা ?

(g) Define birthrate.

জন্মহাৰৰ সংজ্ঞা লিখা ।

(h) What is meant by investment?

বিনিয়োগ বুলিলে কি বুজা ?

(i) Mention one obstacle of economic development of India.

ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ এটা বাধা উল্লেখ কৰা ।

(j) Who is the Chairman of the 15th Finance Commission in India?

ভাৰতৰ পঞ্চদশ বিত্ত আয়োগৰ অধ্যক্ষ কোন ?

BIKALI COLLEGE LIBRARY



2. Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Distinguish between growth and development.

বিকাশ আৰু উন্নয়নৰ মাজত পাৰ্থক্য লিখা।

(b) Mention two causes of unemployment.

নিবনুৱাৰ দুটা কাৰণ উল্লেখ কৰা।

(c) Distinguish between absolute poverty and relative poverty.

চৰম দৰিদ্ৰতা আৰু আপেক্ষিক দৰিদ্ৰতাৰ মাজত পাৰ্থক্য লিখা।

(d) Mention some measures for sustainable development in India.

ভাৰতৰ বহনক্ষম উন্নয়নৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়োৱা।

(e) Define educated unemployment.

শিক্ষিত নিবনুৱাৰ সংজ্ঞা দিয়া।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain the difference between Human capital and Physical capital.

মানৱ মূলধন আৰু ভৌতিক মূলধনৰ মাজত পাৰ্থক্য ব্যাখ্যা কৰা।

BIKALI COLLEGE LIBRARY



(b) Distinguish between Rural and Urban unemployment.

গ্ৰাম্য আৰু নগৰীয়া নিবনুৱাৰ মাজত পাৰ্থক্য লিখা।

(c) Explain the relationship between sustainability and development.

বহনক্ষমতা আৰু উন্নয়নৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

(d) Explain the Centre-State financial relation in India.

ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ বিত্তীয় সম্পৰ্ক ব্যাখ্যা কৰা।

(e) What are the various sources of growth?

বিকাশৰ বিভিন্ন উৎসসমূহ কি কি?

(f) Discuss the role of population in economic development.

অৰ্থনৈতিক উন্নয়নত জনসংখ্যাৰ ভূমিকা আলোচনা কৰা।

**4.** Answer the following questions : $10\times4=40$

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Explain the role of capital formation in the economic development in India.

ভাৰতৰ অৰ্থনৈতিক উন্নয়নত মূলধন গঠনৰ ভূমিকা আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



*Or / অথবা*

Discuss the causes of low rate of capital formation in India.

ভাৰতত মূলধন গঠনৰ নিম্ন হাৰৰ কাৰণসমূহ আলোচনা কৰা।

*(b)* Discuss the various measures taken by the Government to reduce unemployment in India.

ভাৰতবৰ্ষত নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহ আলোচনা কৰা।

*Or / অথবা*

Briefly explain the occupational structure in the organized sector in India.

ভাৰতৰ সংগঠিত খণ্ডৰ পেছাগত গাঁথনিৰ বিষয়ে চমুকৈ বুজাই লিখা।

*(c)* Explain the objectives of monetary policy in a developing economy.

উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতিৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

What is the role of fiscal policy in economic stabilization?

অৰ্থনৈতিক সুস্থিৰতাত ৰাজকোষীয় নীতিৰ ভূমিকা ব্যাখ্যা কৰা।

BIKALI COLLEGE LIBRARY



(d) Define poverty. Discuss the basic causes of poverty in India.

দৰিদ্ৰতাৰ সংজ্ঞা লিখা। দৰিদ্ৰতাৰ মূল কাৰণসমূহ আলোচনা কৰা।

*Or / অথবা*

Explain the various causes of inequality in India.

ভাৰতৰ অসমতাৰ কাৰণসমূহ ব্যাখ্যা কৰা।

BIKALI COLLEGE LIBRARY



OPTION—B

Paper : ECO–RE–5026

**( Money and Banking )**

1. Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) What is cash reserve ratio?

নগদ জমা পুঁজিৰ অনুপাত কি?

(b) What is legal tender money?

বিহিত মুদ্ৰা কি?

(c) When was the RBI established?

ভাৰতীয় ৰিজাৰ্ভ বেংক কেতিয়া প্ৰতিষ্ঠিত হৈছিল?

(d) Who is known as the monetary authority of a country?

এখন দেশৰ মুদ্ৰাৰ নিয়ন্ত্ৰণকাৰী কাক কোৱা হয়?

(e) What is high-powered money?

উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা কি?

(f) What is primary deposit of a commercial bank?

বাণিজ্যিক বেংক এটাৰ প্ৰাথমিক আমানত কি?

(g) Who propounded the liquidity preference theory of interest?

সুদৰ তাৰল্যপ্ৰীতি তত্ত্বটো কোনে উদ্ভাৱন কৰিছিল?

BIKALI COLLEGE LIBRARY



(h) Who can control the power of credit creation of commercial banks?

বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতা নিয়ন্ত্ৰণকাৰী কোন?

(i) Mention one weakness of Indian money market.

ভাৰতবৰ্ষৰ মুদ্ৰা বজাৰৰ এটা দুৰ্বলতা উল্লেখ কৰা।

(j) What is meant by balance sheet of a bank?

বেংকৰ লেনদেনৰ খতিয়ান মানে কি?

**2.** Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) What is meant by financial crisis?

বিত্তীয় সংকট বুলিলে কি বুজা?

(b) Mention two objectives of financial sector reforms in India.

ভাৰতৰ বিত্তীয় খণ্ডটোৰ সংস্কাৰসাধনৰ দুটা উদ্দেশ্য উল্লেখ কৰা।

(c) Why is Central Bank known as the lender of last resort?

কেন্দ্ৰীয় বেংকক কিয় শেষ স্তৰৰ ঋণদাতা বুলি কোৱা হয়?

(d) Mention two limitations of monetary policy.

মৌদ্ৰিক নীতিৰ দুটা সীমাবদ্ধতা উল্লেখ কৰা।

BIKALI COLLEGE LIBRARY



(e) Write two determinants that limit the power of credit creation of commercial banks.

বাণিজ্যিক বেংকসমূহৰ ঋণ সৃষ্টিৰ ক্ষমতাক সীমিত কৰা দুটা কাৰক লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্রশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Write a note on the assets and liabilities of a commercial bank.

বাণিজ্যিক বেংক এটাৰ দেনা-পাওনাৰ ওপৰত এটা টোকা লিখা।

(b) Distinguish between Money market and Capital market.

মুদ্রা বজাৰ আৰু মূলধন বজাৰৰ মাজৰ পাৰ্থক্য লিখা।

(c) Write a note on open market operation as an instrument of credit control.

ঋণ নিয়ন্ত্রণৰ আহিলা হিচাপে মুক্ত বজাৰৰ কাৰবাৰৰ বিষয়ে এটি টোকা লিখা।

(d) Explain the features of current monetary policy of India.

ভাৰতবৰ্ষৰ চলিত মৌদ্রিক নীতিৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(e) Discuss the causes of global financial crisis.

বিশ্বৰ অৰ্থনৈতিক সংকটৰ কাৰণসমূহ আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



4. Answer any *four* of the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* What is money multiplier? Discuss the relation between high-powered money, money multiplier and money supply. 2+8=10

মুদ্ৰাৰ গুণক কি? উচ্চ ক্ষমতাসম্পন্ন মুদ্ৰা, মুদ্ৰাৰ গুণক আৰু মুদ্ৰাৰ যোগানৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

*(b)* Explain the various tools of monetary policy. 10

মৌদ্ৰিক নীতিৰ বিভিন্ন আহিলাসমূহ ব্যাখ্যা কৰা।

*(c)* What is meant by credit creation? Discuss the process of credit creation of commercial bank. 2+8=10

ঋণগত মুদ্ৰা সৃষ্টি বুলিলে কি বুজা? বাণিজ্যিক বেংকৰ ঋণ মুদ্ৰা সৃষ্টিৰ প্ৰক্ৰিয়া আলোচনা কৰা।

*(d)* What is portfolio management? What are the basic objectives of portfolio management of commercial banks? Explain the problems faced by commercial banks in portfolio management. 2+2+6=10

পত্ৰাধাৰ পৰিচালনা মানে কি? বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনাৰ মূল উদ্দেশ্যকেইটা কি কি? বাণিজ্যিক বেংকে পত্ৰাধাৰ পৰিচালনা কৰোঁতে সন্মুখীন হোৱা সমস্যাবোৰ ব্যাখ্যা কৰা।

BIKALI COLLEGE LIBRARY



*(e)* Discuss the various banking sector reforms initiated in India during 1991. 10

১৯৯১ চনত ভাৰত চৰকাৰে গ্ৰহণ কৰা বেংক খণ্ডৰ বিভিন্ন সংস্কাৰসমূহ আলোচনা কৰা।

*(f)* Discuss the functions and importance of financial market. 10

বিত্তীয় বজাৰৰ কাৰ্য আৰু গুৰুত্ব আলোচনা কৰা।

*(g)* Explain the various sub-markets prevailing under money market. Mention the basic features of a developed money market. 6+4=10

মুদ্ৰা বজাৰৰ অন্তৰ্গত বিভিন্ন উপ-বজাৰসমূহ ব্যাখ্যা কৰা। এখন উন্নত মুদ্ৰা বজাৰৰ মৌলিক বৈশিষ্ট্যকেইটা উল্লেখ কৰা।

*(h)* What is stock market? Explain the functions and role of stock market. 2+(4+4)=10

ষ্টক বজাৰ কি? ষ্টক বজাৰৰ কাৰ্য আৰু ভূমিকা আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



OPTION—C

Paper : ECO–RE–5036

**( Environmental Economics )**

**1.** Answer the following questions : 1×10=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা :

*(a)* What is market failure?

বজাৰৰ বিফলতা কি?

*(b)* Mention one key environmental problem.

পৰিৱেশৰ এটা মুখ্য সমস্যা উল্লেখ কৰা।

*(c)* State one local environmental problem.

স্থানীয় পৰিৱেশৰ এটা সমস্যা উল্লেখ কৰা।

*(d)* Define private good.

ব্যক্তিগত দ্ৰব্যৰ সংজ্ঞা দিয়া।

*(e)* What is Pigovian tax?

পিগোভিয়ান কৰ কি?

*(f)* Define biodiversity.

জৈৱ বিচিত্ৰতাৰ সংজ্ঞা দিয়া।

*(g)* What is positive externality?

ধনাত্মক বাহ্যিকতা কি?

BIKALI COLLEGE LIBRARY



(h) What is the significance of inter-generational equity for environmental issues?

পৰিৱেশৰ সমস্যাবোৰৰ আন্তঃপ্ৰজন্মীয় সমতাৰ তাৎপৰ্য কি?

(i) Mention one advantage of a pollution tax as an economic instrument of pollution abatement.

প্ৰদূষণ হ্ৰাসৰ অৰ্থনৈতিক আহিলা হিচাপে প্ৰদূষণ কৰৰ এটা সুবিধা উল্লেখ কৰা।

(j) What is transboundary pollution?

আন্তঃসীমান্ত প্ৰদূষণ কি?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Mention two reasons of environmental degradation.

পৰিৱেশ অৱক্ষয়ৰ দুটা কাৰণ উল্লেখ কৰা।

(b) What is weak sustainability?

দুৰ্বল বহনক্ষমতা কি?

(c) Why is the study of environmental economics important?

পৰিৱেশ অৰ্থনীতিৰ অধ্যয়ন কিয় গুৰুত্বপূৰ্ণ?

(d) Give two examples of non-market goods.

অ-বজাৰ সামগ্ৰীৰ দুটা উদাহৰণ দিয়া।

BIKALI COLLEGE LIBRARY



(e) Write two objectives of sustainable development.

বহনক্ষম উন্নয়নৰ দুটা উদ্দেশ্য লিখা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) "Environmental damages can be considered as negative externalities." Explain the statement.

"পৰিৱেশৰ অৱনতিক ঋণাত্মক বাহ্যিকতা বুলি গণ্য কৰিব পাৰি।" উক্তিটো বৰ্ণনা কৰা।

(b) Explain the impact of ozone layer depletion on human and plant life.

মানুহ আৰু উদ্ভিদ জীৱনৰ ওপৰত অ'জন স্তৰৰ অৱক্ষয়ৰ প্ৰভাৱ বৰ্ণনা কৰা।

(c) Is environment a public good? Discuss.

পৰিৱেশ ৰাজহুৱা দ্ৰব্য হয়নে? আলোচনা কৰা।

(d) Briefly discuss the nature and scope of environmental economics.

পৰিৱেশ অৰ্থনীতিৰ প্ৰকৃতি আৰু পৰিসৰ চমুকৈ আলোচনা কৰা।

(e) Write a short note on command and control approach as a policy to maintain the quality of environment.

পৰিৱেশৰ মানদণ্ড ৰক্ষণাবেক্ষণৰ নীতি হিচাপে আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিৰ ওপৰত এটা চমু টোকা লিখা।

BIKALI COLLEGE LIBRARY



(f) Briefly discuss the sustainable development rules.

বহনক্ষম উন্নয়নৰ নিয়মসমূহ চমুকৈ আলোচনা কৰা।

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Discuss the hedonic pricing method of environmental valuation with its merits and demerits.

পৰিৱেশ মূল্যাংকনৰ হেডনিক মূল্য নিৰ্ধাৰণ পদ্ধতিটো তাৰ সুবিধা আৰু অসুবিধাসমূহৰ সৈতে আলোচনা কৰা।

*Or / অথবা*

Discuss the major environmental policies undertaken in India. What are the important issues that arise in the enforcement of environment laws in India?

ভাৰতত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পৰিৱেশ নীতিসমূহ আলোচনা কৰা। পৰিৱেশ আইনসমূহ প্ৰৱৰ্তন কৰোঁতে ভাৰতত উদ্ভৱ হোৱা গুৰুত্বপূৰ্ণ সমস্যাসমূহ কি কি?

(b) Discuss the interlinkage between the economy and the environment.

অৰ্থনীতি আৰু পৰিৱেশৰ মাজৰ আন্তঃসংযোগ আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



*Or / অথবা*

What are the economic instruments of pollution control? Write notes on any two of these instruments.

প্ৰদূষণ নিয়ন্ত্ৰণৰ অৰ্থনৈতিক সঁজুলিবোৰ কি কি? এই সঁজুলিবোৰৰ যি কোনো দুটাৰ ওপৰত টোকা লিখা।

*(c)* What is global warming? Discuss the effects of global warming.

গোলকীয় উষ্ণতা কি? গোলকীয় উষ্ণতাৰ প্ৰভাৱসমূহ আলোচনা কৰা।

*Or / অথবা*

Discuss the objectives and indicators of sustainable development.

বহনক্ষম উন্নয়নৰ উদ্দেশ্য আৰু সূচকসমূহ আলোচনা কৰা।

*(d)* Discuss the various causes of market failure in case of environmental goods.

পৰিৱেশ-সম্পৰ্কীয় দ্ৰব্যৰ ক্ষেত্ৰত বজাৰ বিফলতাৰ বিভিন্ন কাৰণসমূহ আলোচনা কৰা।

*Or / অথবা*

Diagrammatically explain the Coase theorem related to property rights. Also discuss its limitations.

সম্পত্তিৰ অধিকাৰৰ সৈতে সম্পৰ্কিত ক'জ তত্ত্বটো চিত্ৰৰ সহায়ত বৰ্ণনা কৰা। লগতে ইয়াৰ সীমাবদ্ধতাসমূহ আলোচনা কৰা।

★★★